# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 20-07-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। মাইক্ৰ'চফ্‌টৰ চফ্‌টৱেৰৰ খেলিমেলিৰ বাবে বিশ্ব জুৰি প্ৰভাৱিত সেৱাসমূহ ক্ৰমাৎ স্বাভাৱিক হ'বলৈ ধৰিছে।

২। চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

৩। বিদেশ সচিব বিক্ৰম মিস্ৰিয়ে কালি থিম্ফুত ভুটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং ট'বগেক সাক্ষাৎ কৰে।

৪। বাংলাদেশে দেশজুৰি দেখা দিয়া অশান্ত পৰিস্থিত ৰোধ কৰাত আৰক্ষী ব্যৰ্থ হোৱাৰ পাছত সান্ধ্য আইন আৰু সামৰিক বাহিনী নিয়োগ কৰাৰ কথা ঘোষণ কৰিছে।

*আৰু*

৫। ভাৰতে যোৱানিশা মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে।

ooooo

মাইক্ৰ'চফ্‌টৰ চফ্‌টৱেৰৰ খেলিমেলিৰ বাবে বিশ্ব জুৰি প্ৰভাৱিত  বিমান পৰিবহণ সেৱাৰ পৰা স্বাস্থ্য যতনলৈ বিভিন্ন সেৱা ক্ৰমাৎ স্বাভাৱিক হ'বলৈ ধৰিছে। মাইক্ৰ'চফ্‌টৰ চফ্‌টৱেৰৰ খেলিমেলিৰ ফলত সমগ্ৰ বিশ্বৰ লাখ লাখ লোক প্ৰভাৱিত হৈছে। ইয়াৰ বাবে ব্যৱসায়ী, বেংকিং সেৱা, চিকিৎসালয় আৰু বিমান চলাচলৰ ক্ষেত্ৰত সৰ্বাধিক প্ৰভাৱ পৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক্ৰাউড ষ্ট্ৰাইক নামৰ চাইবাৰ সুৰক্ষা কোম্পানীটোৱে বিসংগতিপূৰ্ণ ছফটৱেৰ আপডেট জাৰি কৰাৰ পাছতেই মাইক্ৰছফটৰ উইণ্ডোজ অপাৰেটিং ছিষ্টেম প্ৰভাৱিত হয় আৰু ইয়াৰ ফলত সমগ্ৰ বিশ্বৰ ভালেসংখ্যক সঁজুলি অকামিলা হৈ পৰে। মাইক্ৰ'ছফটৰ মুখ্য কাৰ্যবাহী বিষয়া সত্য নাডেলাই সামাজিক মাধ্যম যোগে কৈছে যে, তেওঁলোকে উপভোক্তাসকলক কাৰিকৰী তথ্য আৰু সুৰক্ষা প্ৰদানৰ বাবে ক্ৰাউড ষ্ট্ৰাইকৰ সৈতে একেলগে কাম কৰি আছে। ইপিনে, ক্ৰাউড ষ্ট্ৰাইকৰ মুখ্যবাহী বিষয়াগৰাকীয়ে এই ব্যাঘাতৰ বাবে ক্ষমা খুজিছে আৰু এই  সমস্যা সমাধান কৰা হৈছে বুলি প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে চৰকাৰে মাইক্ৰ'চফ্‌ট চফ্‌টৱেৰত হোৱা খেলিমেলি সন্দৰ্ভত মাইক্ৰ'চফ্‌ট আৰু ইয়াৰ সহযোগী কোম্পানীসমূহৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সামাজিক মাধ্যমযোগে কৈছে যে, এই খেলিমেলিৰ কাৰণ চিনাক্ত কৰা হৈছে আৰু সমস্যা সমাধানৰ বাবে আপডেট জাৰি কৰা হৈছে। ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ নেটৱৰ্ক প্ৰভাৱিত হোৱা নাই বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। ইপিনে, ভাৰতীয় কম্পিউটাৰ জৰুৰীকালীন সঁহাৰি দলে এই সমস্যা সন্দৰ্ভত পৰামৰ্শ জাৰি কৰিছে। এই পৰামৰ্শাৱলীত ক্ৰাউড ষ্ট্ৰাইক এজেণ্ট ফাল্কন চেণ্ছৰ সম্পৰ্কীয় উইণ্ড'জৰ শেহতীয়া আপডেটৰ বাবে সমস্যাৰ সৃষ্টি

হোৱা বুলি আৰু সম্পূৰ্ণৰূপে বিকল হোৱা বুলি উল্লেখ কৰা হৈছে। ক্ৰাউড ষ্ট্ৰাইকৰ শেহতীয়া আপডেটৰ বাবেই এই সমস্যাৰ সৃষ্টি হৈছে আৰু ক্ৰাউড ষ্ট্ৰাইক দলে এই সাল-সলনি বাতিল কৰি পূৰ্বৰ অৱস্থালৈ লৈ গৈছে।

ooooo

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সূচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

ooooo

বিদেশ সচিব বিক্ৰম মিস্ৰিয়ে কালি থিম্ফুত ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং ট'বগেক সাক্ষাৎ কৰে। তেওঁ ভূটানৰ সৈতে ভাৰতৰ ঘনিষ্ঠ মৈত্ৰীপূৰ্ণ সম্পৰ্ক আৰু ভূটান চৰকাৰ তথা দেশখনৰ জনসাধাৰণৰ অগ্ৰাধিকাৰ অনুসৰি দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ প্ৰতি ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰিছে। শ্ৰীমিস্ৰিয়ে লগতে ভূটানৰ বিদেশ মন্ত্ৰী ডি এন ধূনগয়েলকো সাক্ষাৎ কৰে। তেওঁলোকে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয় আৰু সকলো ক্ষেত্ৰত নিদৰ্শনমূলক দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। বিদেশ সচিব মিস্ৰি দুদিনীয়া ভূটান ভ্ৰমণসূচীৰে কালি থিম্ফুত উপস্থিত হয়।

ooooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি বিয়লি ইউক্ৰেইনৰ বিদেশমন্ত্ৰীৰ সৈতে কথা পাতে আৰু পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে, উভয় দেশৰ মাজৰ দ্বিপাক্ষিক আৰু প্ৰতিষ্ঠানগত তন্ত্ৰসহ ভালেমান ক্ষেত্ৰত ভালসম্পৰ্ক আছে। এটা প্ৰশ্নৰ উত্তৰত শ্ৰীজয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে মস্কোত অনুষ্ঠিত ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ কৰে আৰু হিংসা প্ৰভাৱিত নিৰীহ লোকৰ বিষয় সন্দৰ্ভত নিজৰ মত স্পষ্ট কৰে।

ম্যানমাৰৰ স্থিতি সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয় যে, দেশখনত সংকট বা বিপৰ্যয় অব্যাহত আছে আৰু ভাৰতে সকলো পক্ষৰ মাজত গঠনমূলক আলোচনাৰ ভিত্তিত বৰ্তমানৰ বিপৰ্যয় শান্তিপূৰ্ণ সমাধান বিচাৰে। ভাৰতে, ম্যানমাৰত গণতন্ত্ৰ বাহাল হোৱাটো বিচাৰে বুলিও তেওঁ মন্তব্য কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিয়েটনামৰ জ্যেষ্ঠ নেতা নুয়েন ফু ট্ৰোঙৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে এটা শোকবাৰ্তাত কৈছে যে, দুখৰ এই ক্ষণত ভাৰত ভিয়েটনামৰ জনসাধাৰণ আৰু নেতৃত্বৰ সৈতে আছে।

ভিয়েটনামৰ শাসকীয় কমিউনিষ্ট দলৰ সাধাৰণ সম্পাদক তথা দেশখনৰ শীৰ্ষ নেতা নুয়েন ফু ট্ৰোঙৰ কালি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। দলে এটা বিবৃতি যোগে কৈছে যে, বাৰ্ধক্যজনিত

কাৰণ আৰু গুৰুত্বৰ ৰোগৰ বাবে ট্ৰোঙৰ দেহাৱসান ঘটে। নুয়েন ফু ট্ৰোং ১৩ বছৰ পৰ্যন্ত ভিয়েটনামৰ আটাইতকৈ শীৰ্ষ পদত আছিল।

০০০০০

বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈৰ পৰা আৰম্ভ হব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অধিৱেশনৰ উদ্বোধন কৰিব। ৩১ জুলাইত অধিৱেশনৰ সামৰণি পৰিব। ভাৰতে প্ৰথমবাৰৰ বাবে এই অধিৱেশনৰ আয়োজন কৰিছে। অনুষ্ঠানত ইউনেস্ক'ৰ সঞ্চালক প্ৰধান মেডাম অড্ৰে আজৌলে আৰু ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য সচিবালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে বিভিন্ন দেশৰ সাংস্কৃতিক মন্ত্ৰী, ৰাষ্ট্ৰদূতৰ দৰে অন্যান্য ব্যক্তিসকলে অংশগ্ৰহণ কৰিব। অধিৱেশনৰ পূৰ্বে সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱটে কয় যে নৰেন্দ্ৰ মোডী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত এইয়া হৈছে ভাৰতত হবলগীয়া প্ৰথমটো বৃহত কাৰ্যসূচী। তেওঁ লগতে কয় যে, এই অধিৱেশনত ভাৰতৰ বৈচিত্ৰ আৰু অনন্য সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যক বিশ্বৰ সন্মুখত প্ৰদৰ্শন কৰা হ'ব আৰু ই দেশৰ সাংস্কৃতিক গৌৰৱক নতুন মাত্ৰা প্ৰদান কৰিব। ভাৰত ২০২১ চনৰ ২৩ সংখ্যক সাধাৰণ পৰিষদত ৪ বছৰৰ বাবে ২১ জনীয়া বিশ্ব ঐতিহ্য সমিতিলৈ নিৰ্বাচিত হৈছিল। ভাৰতে ইতিমধ্যে বিশ্ব ঐতিহ্যৰ তালিকাত ৪২টা ক্ষেত্ৰ সন্নিবিষ্ট কৰিছে।

০০০০০

বাংলাদেশে দেশজুৰি দেখা দিয়া অশান্ত পৰিস্থিত ৰোধ কৰাত আৰক্ষী ব্যৰ্থ হোৱাৰ পাছত সান্ধ্য আইন আৰু সামৰিক বাহিনী নিয়োগ কৰাৰ কথা ঘোষণা কৰিছে। শিক্ষাৰ্থীসকলে চৰকাৰী চাকৰিৰ বাবে সংৰক্ষণ ব্যৱস্থাৰ সংস্কাৰৰ দাবী উত্থাপন কৰাৰ পাছতে দেশখনত হিংসাৰ সূত্ৰপাত হৈছে। প্ৰদৰ্শনকাৰী শিক্ষাৰ্থী আৰু আৰক্ষীৰ মাজত হোৱা সংঘৰ্ষত দেশখনত বৰ্তমানলৈকে কমেও ১০৫ লোকে প্ৰাণ হেৰুৱাইছে।

ইপিনে, বিদেশ মন্ত্ৰ্যালয়ে বাংলাদেশত বাস কৰা ভাৰতীয় নাগৰিকসকলক ঢাকাত থকা উচ্চায়োগে জাৰি কৰা পৰামৰ্শাৱলী মানি চলিবলৈ আৰু আয়োগৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিবলৈ আহ্বান জনাইছে।

নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে, চুবুৰীয়া ৰাষ্ট্ৰখনত প্ৰায় চাৰে ৮ হাজাৰ শিক্ষাৰ্থী আৰু প্ৰায় ১৫ হাজাৰ ভাৰতীয় নাগৰিকে বাস কৰি আছে। বিদেশ মন্ত্ৰী ড০ এছ জয় শংকৰে নিজেই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু ঢাকাত থকা উচ্চায়োগে দেশখনৰ পৰিস্থিতি সন্দৰ্ভত নিয়মীয়াভাৱে অৱগত কৰি যাব বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বিদেশ মন্ত্ৰ্যালয়ে দেশখনত বাস কৰা ভাৰতীয় নাগৰিকসকলক সম্ভৱপৰ সকলো ধৰণৰ সহায় আগবঢ়াবলৈ বদ্ধপৰিকৰ। মুখপাত্ৰগৰাকীয়ে কয় যে, ভাৰতে বাংলাদেশৰ প্ৰতিবাদৰ বিষয়টোক চুবুৰীয়া ৰাষ্ট্ৰখনৰ অভ্যন্তৰীণ বিষয় বুলি গণ্য কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ আজি দিনজোৱা ভ্ৰমণসূচীৰে ঝাৰখণ্ডলৈ যাব। তাত তেওঁ বিজেপিৰ সম্প্ৰসাৰিত কাৰ্যকৰী কমিটীৰ এখন বৈঠকত ভাষণ দিব। তেওঁ লগতে দলৰ ৰাজ্যিক মূল গোটৰ বৈঠকতো উপস্থিত থাকিব আৰু দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। ঝাৰখণ্ড বিজেপিৰ মুৰববী বাবুলাল

মাৰাণ্ডিয়ে কৈছে যে, শ্ৰীশ্বাহে সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত বিজেপিৰ লগতে এন ডি এ মিত্ৰজোঁটৰ প্ৰদৰ্শনৰ পৰ্যালোচনা চলাব। ৰাজ্যখনত এইবছৰৰ শেষ ভাগলৈ বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে, চৰকাৰে বিভিন্ন উদ্যমৰ জৰিয়তে চৰকাৰী কাৰিকৰী শিক্ষা খণ্ডৰ উন্নয়নৰ হকে সৰ্বতো প্ৰকাৰে চেষ্টা কৰি আছে। তেওঁ চৰকাৰী কাৰিকৰী অভিযন্তা প্ৰতিষ্ঠানসমূহক নতুন অৱধাৰণাৰ সৈতে আগবাঢ়ি আহিবলৈ আৰু কেন্দ্ৰীয় চৰকাৰলৈ ততালিকৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে যাতে চৰকাৰে সেই অনুসাৰে উন্নত সুবিধা প্ৰদান কৰিব পাৰে। মুম্বাইত কালি মহাৰাষ্ট্ৰৰ উচ্চ তথা কাৰিকৰী শিক্ষা মন্ত্ৰী চন্দ্ৰকান্ত দাদা পাটিলৰ সৈতে হোৱা এখন বৈঠকত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। এই উপলক্ষে মহাৰাষ্ট্ৰৰ ৰাজ্যিক কাৰিকৰী শিক্ষা পৰিষদৰ জৰিয়তে স্থাপন কৰিবলৈ লোৱা ৰ'বটিক্স তথা অ'টমেছন আৰু ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান ৩ ডি পেইণ্টিঙৰ উৎকৰ্ষ সাধন কেন্দ্ৰ সন্দৰ্ভত প্ৰস্তুতি দিয়া হয়।

০০০০০

যোৱাবাৰৰ চেম্পিয়ন ভাৰতে যোৱানিশা শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ১০৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৪ অভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ হৈ অপেনাৰ স্মৃতি মান্ধানাই ৪৫ আৰু শ্বেফালি বাৰ্মাই ৪০ ৰানৰ বৰঙনি আগবঢ়ায়। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৮ ৰান কৰে। পাকিস্তানৰ হৈ অমিনে ২৫ ৰান কৰে। ভাৰতৰ দ্বিপ্তী শৰ্মাই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে ৰেণুকা সিং, পূজা বস্ত্ৰকাৰ আৰু শ্ৰেয়ংকা পাটিলে দুটাকৈ উইকেট লাভ কৰে। দিপ্তী শৰ্মাক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়। ভাৰত কাইলৈ পৰৱৰ্তী খেলত ইউ এ ইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**